NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-02-2025
**Time :** 1205 hrs

*Assamese MID Bulletin*
*00000*

ৰাজ্যত ৮৫৬টা পৰীক্ষা কেন্দ্ৰত আজি চলিত বছৰৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰম্ভ হ'ব। এইবাৰ মুঠ ৩ লাখ ৬ হাজাৰ ৮৪১ গৰাকী পৰীক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হ'ব। ইয়াৰ ভিতৰত ১ লাখ ৪৪ হাজাৰ ৫০২ গৰাকী ছাত্ৰ আৰু ১ লাখ ৬২ হাজাৰ ৪২৩ গৰাকী ছাত্ৰী আছে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ সচিব নৰনাৰায়ণ নাথে প্ৰকাশ কৰা অনুসৰি উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ কলা শাখাত ২ লাখ ৩০ হাজাৰ ৯১গৰাকী, বিজ্ঞান শাখাত ৫৭ হাজাৰ ৭২৪ গৰাকী, বাণিজ্য শাখাত ১৭ হাজাৰ ৮৬৯ গৰাকী আৰু বৃত্তিমূলক শিক্ষাত এহেজাৰ ২৪১ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত এইবাৰ সৰ্বাধিক সংখ্যক পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। সচিবগৰাকীয়ে কয়, যে পৰীক্ষা সমাপ্ত হোৱাৰ পাছত ৰাজ্যৰ মুঠ ৪৫টা মূল্যায়ন কেন্দ্ৰত উত্তৰ বহীৰ মূল্যায়ন কৰা হ'ব।

ইপিনে, অহা ১৫ ফেব্ৰুৱাৰীৰ পৰা হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰাজ্যত ৯৪৪টা পৰীক্ষা কেন্দ্ৰত মুঠ ৪লাখ ২৯ হাজাৰ ৪৪৮ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। এইবাৰ ৩১টা অতিৰিক্ত পৰীক্ষা কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হ'ব আৰু ৪২ টা মূল্যায়ন কেন্দ্ৰত উত্তৰ বহী মূল্যায়ন কৰা হ'ব।

উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শুভেচ্ছা জ্ঞাপন কৰিছে।

উল্লেখযোগ্য যে, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ৰাজ্য চৰকাৰৰ উচ্চ পদস্থ বিষয়াক লৈ ৰাজ্যিক পৰ্যায়ৰ নিৰীক্ষণ সমিতি আৰু জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতি গঠন কৰিছে। পৰিষদে ইতিমধ্যে জিলা সমূহলৈ প্ৰেৰণ কৰা নিৰ্দেশনা অনুসৰি পৰীক্ষা কেন্দ্ৰত প্ৰৱেশৰ পূৰ্বে ছাত্ৰ-ছাত্ৰীসকলক তন্ন তন্নকৈ পৰীক্ষা কৰা হ'ব। পৰীক্ষা সময়ত ইণ্টাৰনেট ব্যৱস্থা বাহাল থকাৰ পৰিপ্ৰেক্ষিতত নিৰীক্ষক, তৃতীয় আৰু চতুৰ্থবৰ্গ কৰ্মচাৰীয়ে মোবাইল ফোন ব্যৱহাৰ কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

ooooo

স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে কালি জনতা ভৱনত ৰাজ্যৰ বিভিন্ন চৰকাৰী চিকিৎসালয়ত ৪০০ গৰাকী নতুন চিকিৎসক নিযুক্তিৰ বাবে অতি শীঘ্ৰে বিজ্ঞাপন প্ৰকাশ কৰা হ'ব বুলি ঘোষণা কৰিছে। ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ অভিযানত ৰাজ্যৰ অগ্ৰগতি সন্দৰ্ভত স্বাস্থ্য বিভাগৰ শীৰ্ষ আমোলা বিষয়াৰ সৈতে এখন বিশেষ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰাৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যত স্বাস্থ্য  সেৱা অধিক সূচল আৰু স্বাস্থ্য আন্তঃগাঁথনি অধিক সৱল কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে কেতবোৰ পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে ৪০০ গৰাকী নতুন চিকিৎসকক নিযুক্তিৰ ব্যৱস্থা কৰা হৈছে। ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ অভিযানৰ সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়, যে ২২ হাজাৰ চৰকাৰী বিদ্যালয়ত স্বাস্থ্য  বিভাগে শিশুৰ পেলু নিৰ্মূলৰ বাবে ঔষধ প্ৰদান কৰিছে। অহা ১৭

ফেব্ৰুৱাৰীলৈকে এই অভিযান চলিব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে সমগ্ৰ অভিযানত ডেৰ লাখ চৰকাৰী শিক্ষক, কৰ্মচাৰী আৰু অঙ্গনবাড়ী কৰ্মীয়ে সেৱা আগবঢ়াইছে। ৪৩ লাখ মানুহক শেহতীয়াকৈ যক্ষ্মা ৰোগৰ পৰীক্ষা কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে।

০০০০০

আজি বিশ্ব ৰেডিঅ' দিৱস। এই উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি সন্ধিয়া ৬ বজাত গুৱাহাটীৰ চানমাৰিত থকা অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ প্ৰেক্ষাগৃহত আকাশী লহৰ শীৰ্ষক এটি বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত বিশ্ব অনাতাঁৰ দিৱসৰ এই বছৰৰ প্ৰতিপাদ্য বিষয় "ৰেডিঅ' আৰু জলবায়ু পৰিৱৰ্তন" বিষয়ত বক্তৃতা প্ৰদান কৰিব ড০ অৰনী কুমাৰ ভাগৱতীয়ে।

নগাঁওৰ মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘই আজি বিশ্ব ৰেডিঅ' দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিব। দিৱসৰ অংশ হিচাপে ৰূপহী মহাবিদ্যালয়ত এটা অনুষ্ঠানৰ আয়োজন কৰিছে। এইবাৰ প্ৰয়াত শিল্পী দিগেন মহন্ত, বাউলী কবি কমলা নন্দ ভট্টাচাৰ্য আৰু কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ সোঁৱৰণত ৰেডিঅ' চেট বিতৰণ কৰা হ'ব। কালি এই দিৱসৰ অংশ হিচাপে সংঘই ৰহাত চাইকেলেৰে বিশ্ব ৰেডিঅ' দিৱসৰ প্ৰচাৰ চলায়।

০০০০০

এডভাণ্টেজ আছাম বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ সৈতে সংগতি ৰাখি অসম চৰকাৰে অহা ১৭ ফেব্ৰুৱাৰীৰ দিনৰ চাৰে ১১ বজাত মহাকাশ আৰু ভূস্থানীয় প্ৰযুক্তিৰ বিষয়ত এখন অনলাইন কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ উদ্ভাৱক, গৱেষক, ছাত্ৰ-ছাত্ৰী আৰু উদ্যোগীসকলক আহ্বান জনোৱা হৈছে। ইয়াৰ বাবে ইতিমধ্যে যোৱা ১০ ফেব্ৰুৱাৰীত অনলাইন পঞ্জীয়ন আৰম্ভ হৈছে আৰু ১৬ ফেব্ৰুৱাৰী পঞ্জীয়নৰ অন্তিম দিন। আগ্ৰহীসকলে এই অনলাইন কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ www.advantageassam.assam.gov.in ৱেবছাইটত গৈ পঞ্জীয়ন কৰিব পাৰিব। এই প্ৰতিযোগিতাত বিজয়ী প্ৰথম তিনিগৰাকী প্ৰতিযোগীক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। তদুপৰি নিৰ্বাচিত ১০০গৰাকী প্ৰতিযোগীয়ে এডভাণ্টেজ আছামৰ ভূ-স্থানিক সত্ৰত অংশগ্ৰহণৰ বাবে অহা-যোৱা আৰু থকাৰ সুবিধা লাভ কৰিব।

০০০০০

অসম বিধান সভাৰ প্ৰাক্তন উপাধ্যক্ষ, অসম আন্দোলনৰ অগ্ৰণী নেতা, ক্ৰীড়া সংগঠক, অসম গণ পৰিষদৰ সক্ৰিয় নেতা বলোভদ্ৰ তামুলীৰ কালি বোকাখাতত মৃত্যু হয়। প্ৰয়াত তামুলীৰ নশ্বৰ দেহ আজি বোকাখাতৰ নিজা বাসভৱনৰ পৰা সুসজ্জিত বাহনত প্ৰথমে নামঘৰ আৰু পাছত অসম গণ পৰিষদৰ কাৰ্যালয়লৈ নিয়া হয়। তাত কেবিনেট মন্ত্ৰী তথা স্থানীয় বিধায়ক অতুল বৰাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পাছতে দলীয় সতীৰ্থসকলে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। আজি তেওঁৰ শেষকৃত্য বোকাখাতত সম্পন্ন কৰা হ'ব।

০০০০০

**সমাপ্ত**